জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৫/২০২০

# নৱনিযুক্ত মন্ত্ৰীদ্বয়ৰ শপত গ্ৰহণ অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

**দিছপুৰ, ১৮ জানুৱাৰী ঃ** অসম চৰকাৰৰ মন্ত্ৰী পৰিষদত নৱ নিযুক্ত দুগৰাকীকৈ মন্ত্ৰীৰ আজি ৰাজ ভৱনত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে মাহমৰা সমষ্টিৰ বিধায়ক যোগেন মহন আৰু তিনিচুকীয়া সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণক ৰাজ্য চৰকাৰৰ স্বতন্ত্ৰ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰূপে আজি শপতবাক্য পাঠ কৰায়।

শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী সোণোৱালে নৱনিযুক্ত মন্ত্ৰী দুগৰাকীক তেওঁলোকৰ ভৱিষ্যৎ দায়িত্বৰ বাবে শুভেচ্ছা জনায়। মুখ্যমন্ত্ৰী সোণোৱালে আশা প্ৰকাশ কৰে যে ৰাইজৰ হিতৰ হকে নৱনিযুক্ত দুয়োগৰাকী মন্ত্ৰীয়ে নিষ্ঠা, দায়ৰদ্ধতা আৰু সততাৰে দায়িত্ব পালন কৰিব। এই শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী সোণোৱালৰ লগতে অসম চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ, বিধায়ক, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ প্ৰমুখ্য বহু উচ্চ পদস্থ চৰকাৰী বিষয়া উপস্থিত থাকে।

**বীঃগঃ**
**১৮/০১/২০২০**